# অসমীয়া ভাষা - সাহিত্যৰ উন্নতিৰ ক্ষেত্ৰত মিছনেৰী সকলৰ অৱদান ঃ এটিআলোকপাত

ভাৰতৰ উত্তৰ - পূৱ দিশত অৱস্থান কৰা অসম ৰাজ্য শতাধিক জাতি - জনগোষ্ঠীৰ বাসভূমিয়েই নহয়, মিলনভূমিও। বিভিন্ন সময়ত এই অসম ৰাজ্যলৈ বিভিন্ন গোষ্ঠীৰ লোকৰ আগমন ঘটিছে আৰু এই দেশৰ মানুহৰ আদৰ - স্নেহ তথা আতিথ্য পৰায়ণতাত সন্তুষ্ট হৈ এই অসমকে নিজৰ বাসভূমি হিচাপে বাছি লৈছে । জাতি - জনগোষ্ঠীৰ ভিন্ন সংস্কৃতিৰ এনে মিলনৰ ফলশ্ৰুতিত এক সমন্বয় গঢ়ি উঠিছে বুলি ক'ব পাৰি ।

ইংৰাজ সকলৰ ৰাজত্বকাল ( ১৮২৬ - ১৯৪৭ )ৰ এই সময়ছোৱাত অসমৰ অসমীয়া ভাষা আৰু সাহিত্য আকাশত যি ক'লা ডাৱৰে আৱৰি ধৰিছিল সেই ক'লা ডাৱৰ লাহে লাহে আঁতৰিছিল আৰু অসমৰ সাহিত্য আকাশত এক নতুন আলোকেৰে উদ্ভাসিত হৈ উঠিছিল। এই ক্ষেত্ৰত বিশেষ অৰিহণা আগবঢ়াইছিল আমেৰিকাৰ পৰা খ্ৰীষ্টান ধৰ্ম প্ৰচাৰ কৰিবলৈ অহা মিছনেৰী সকলে । অসমৰ স্কুল,আদালত আদি বিভিন্ন অনুষ্ঠানত অসমীয়া ভাষাৰ পৰিৱৰ্তে বঙলা ভাষাৰ প্ৰচলন কৰোৱা হৈছিল । ১৮৩৬ চনত অসমৰ পঢ়াশালি, আদালত আদিত মাতৃভাষা অসমীয়াৰ পৰিৱৰ্তে স্থান লাভ কৰিছিল বঙলা ভাষাই ।১৮৩৭ চনৰ আইন অনুসৰি ভাৰতবৰ্ষৰ সকলো স্থানীয় চৰকাৰে অন্য ভাষাৰ সলনি স্থানীয় মাতৃভাষা প্ৰচলন কৰিবলৈ দিছিল যদিও অসমত এই আইন উলঙ্ঘা কৰা হৈছিল । এনে সময়তে আমেৰিকাৰ পৰা কিছুসংখ্যক বেপ্তিষ্ট মিছনেৰী চাহাবে ধৰ্ম প্ৰচাৰ কৰিবলৈ অসমত পদাৰ্পণ কৰিছিল । সেই লোকসকলৰ অশেষ প্ৰচেষ্টাত ১৮৭৩ খৃঃত ইংৰাজ চৰকাৰে অসমৰ পঢ়াশালি আৰু আদালতত অসমীয়া ভাষাক পুনৰ প্ৰতিষ্ঠা কৰিছিল ।

আমাৰ এইলানি আলোচনাত অসমীয়া ভাষা - সাহিত্যৰ উন্নতিৰ ক্ষেত্ৰত মিছনেৰী সকলৰ অৱদান সম্পৰ্কে আলোকপাত কৰাৰ প্ৰয়াস কৰা হৈছে ।

## অসমীয়া ভাষা - সাহিত্যৰ উন্নতিত মিছনেৰী সকলৰ অৱদান ঃ

অসমীয়া ভাষা - সাহিত্যৰ উত্তৰণৰ ক্ষেত্ৰত আমেৰিকাৰ বেপ্তিষ্ট মিছনেৰী সকলৰ অৱদান আছিল উল্লেখনীয় । ১৮৩৬ - ৩৭ চনত ৰেভাৰেণ্ড নাথান ব্ৰাউন, ও.টি. কট্টাৰ,ডঃ মাইলছ ব্ৰনছনকে আদি কৰি আমেৰিকাৰ পৰা অহা বেপ্তিষ্ট মিছনেৰী সকলৰ ঐকান্তিক প্ৰচেষ্টাত অসমীয়া ভাষা আৰু সাহিত্যৰ আকাশত যি পোহৰ দেখা গৈছিল সেই ক্ষেত্ৰত ১৮৪৬ চনত প্ৰকাশ পোৱা 'অৰুণোদয়' আলোচনীৰ অৱদানো আছিল অনবদ্য । এটা সংকটপূৰ্ণ অৱস্থাত অসমীয়া ভাষাৰ হকে মাত মাতি মিছনেৰীসকলে অসমীয়া ভাষাৰ ব্যাকৰণকে আদি কৰি অনুবাদ সাহিত্যৰ লগতে বিভিন্ন দিশত দৃষ্টি নিবদ্ধ কৰি অসমীয়া ভাষাৰ উন্নতিৰ হকে কাম কৰিছিল । ১৮৪৬ চনৰ জানুৱাৰী মাহৰ পৰা শিৱসাগৰ মিছনেৰী প্ৰেছৰ পৰা প্ৰকাশ পোৱা 'অৰুণোদয়' আলোচনীয়ে অসমীয়া সাহিত্য আকাশত নবাৰুণৰ প্ৰৱেশ ঘটাইছিল বুলি ক'ব পাৰি ।

আমেৰিকাৰ বেপ্তিষ্ট মিছনেৰী ৰবিনছন চাহাবে ১৮৩৯ খৃঃত ইংৰাজী ভাষাত অসমীয়া ভাষাৰ ব্যাকৰণ ৰচনা কৰিছিল। সেই ব্যাকৰণখনৰ নাম আছিল 'AGrammar of the Assamese Language'। ইয়াৰ পৰৱৰ্তী সময়ত ১৮৪৬ খৃঃত ডঃ নাথান ব্ৰাউনে চমু অসমীয়া ব্যাকৰণ 'Grammatical Notices on the Assamese Language' ৰচনা কৰিছিল । **১৮৬৭** খৃঃত ডঃ মাইলছ ব্ৰনছনে চৈধ্য হেজাৰ শব্দৰ 'অসমীয়া আৰু ইংৰাজী অভিধান' (A Dictionary of the Assamese and English) প্ৰকাশ কৰি উলিয়াইছিল। এইখনেই আছিল প্ৰথম অসমীয়া ভাষাৰ প্ৰকাশিত অভিধান । এই ক্ষেত্ৰত জনসাধাৰণ আছিল ব্ৰনছন চাহাবৰ শব্দাৱলীৰ প্ৰধান উৎস । আনহাতে অভিধানখনত লিপিবদ্ধ কৰা বেছিভাগ শব্দই জনসাধাৰণৰ মুখৰ পৰা ওলোৱা ধৰণে লিখি উলিওৱা শব্দ । অৱশ্যে ব্ৰনছন চাহাবৰ বহুত পূৰ্বে ১৮৩৯ চনত জাদুৰাম ডেকাবৰুৱাই এক বিস্তৃত 'বঙলা অসমীয়া শব্দকোষ'তৈয়াৰ কৰি এফ. জেনকিন্‌ছ চাহাবক দিছিল ।

১৮৪০ খৃঃত শ্ৰীমতী কট্টৰৰ ইংৰাজী অসমীয়া 'vocabulary and Phrases' প্ৰকাশ পায় । মিছনেৰী সকলৰ যত্নতেই আত্মাৰাম শৰ্মাই বাইবেল পুথি অনুবাদ কৰে ।

অসমীয়া ভাষাটোক সঞ্জীৱিত কৰি তোলাৰ অৰ্থে মিছনেৰী সকলে দেহে - কেহে খাটিছিল। অসমীয়া ভাষা যে বঙলা

ভাষাৰ পৰা এটা পৃথক ভাষা সেই সম্পৰ্কে যুক্তি ডাঙি ধৰি প্ৰশাসক মফাট্ মিলছে ১৮৫৩ - ৫৪ চনত 'Report on the Province of Assam' ত প্ৰকাশ কৰে । এনে সময়তে অসম সন্তান আনন্দৰাম ঢেকিয়াল ফুকনে অসমীয়া ভাষা যে বঙলা ভাষাৰ পৰা এক পৃথক ভাষা তাক প্ৰমাণ কৰি দেখুৱাবলৈ ১৮৫৫ চনত 'A Few Remarks on Assamese Language' নামৰ এখন পুস্তিকা প্ৰণয়ন কৰে ।

বাইবেলৰ অনুবাদমূলক কাহিনীৰ উপৰিও বুৰঞ্জী, বিজ্ঞান, জ্যোতিষ,নীতিমূলক গল্প, জীৱনী, প্ৰকৃতি বিষয়ক কথা, দেশ - বিদেশৰ বা - বাতৰি আদি 'অৰুণোদয়' আলোচনীত প্ৰকাশ কৰা হৈছিল । তাৰোপৰি ' দেওধাই অসম বুৰঞ্জী','কামৰূপ বুৰঞ্জী' আদি কেইবাখনো বুৰঞ্জী ধাৰাবাহিকভাবেও 'অৰুণোদয়'ত প্ৰকাশ কৰি সাহিত্য যে এটা ভাষাৰ মূল সেই কথা জনসাধাৰণক বুজাই দিছিল । মিছনেৰী সকলৰ এনে প্ৰচেষ্টাত প্ৰকাশ পোৱা 'অৰুণোদয়'ৰ জড়িয়তে আনন্দৰাম ঢেকিয়াল ফুকন, নিধি লিবাই ফাৰোৱেল (ন.ল.ফ), হেমচন্দ্ৰ বৰুৱা, বলৰাম ফুকন, ধৰ্মকান্ত বুঢ়াগোহাঁই আদি এক শ্ৰেণী নতুন লেখকে আত্ম প্ৰকাশ কৰাৰ সুবিধা লাভ কৰিছিল ।

মিছনেৰীসকলৰ সহযোগত প্ৰকাশ হোৱা 'অৰুণোদয়'ৰ যোগেদি অসমীয়া সাহিত্যত পাশ্চাত্য সাহিত্যৰ ভাবধাৰাৰ আমদানি হৈছিল । তদুপৰি এই আলোচনীৰ আদৰ্শতে 'আসাম বিলাসিনী', 'আসাম মিহিৰ' আদি অসমীয়া আলোচনী প্ৰকাশ হৈ ভাষা - সাহিত্যৰ উন্নতিৰ ক্ষেত্ৰত এক জাগৰণ অনাত সহায়ক হৈছিল ।

মিছনেৰী সকলে অসমীয়া ভাষাত বিভিন্ন গ্ৰন্থ ৰচনা অথবা অনুবাদ কৰি অসমীয়া ভাষাটোৰ প্ৰতি থকা আনুগত্য প্ৰকাশ কৰিছিল । ডঃ নাথান ব্ৰাউনে ১৮৪৮ খৃঃত নিউ টেষ্টামেন্টৰ অসমীয়া ভাঙনি 'আমাৰ ত্ৰাণ কৰ্তা যীশুখ্ৰীষ্টৰ নতুন নিয়ম' আৰু ১৮৫৪ খৃঃত 'খৃষ্টৰ বিৱৰণ আৰু সুভ যাত্ৰা'(বাৰ্তা) প্ৰকাশ কৰিছিল । সেইদৰে নাথান ব্ৰাউনৰ পত্নী এলিজা ব্ৰাউনেও সাধুৰ পুথি,গণনা পুথি, আৰু 'ভূগোলৰ বিৱৰণ' প্ৰকাশ কৰি উলিয়ায় । এ.কে গাৰ্ণীয়েও 'অৰুণোদয়' সম্পাদনা কৰাৰ উপৰিও 'কামিনীকান্ত' (১৮৭৭) অসমীয়া ভাষাৰ প্ৰথম উপন্যাস ৰচনা কৰে । অৱশ্যে ৰচনাৰীতি আৰু কলা - কৌশলৰ ফালৰ পৰা ত্ৰুটি থাকিলেও খৃষ্টধৰ্ম প্ৰচাৰৰ উদ্দেশ্য আগত ৰাখিয়ে গ্ৰন্থখন ৰচনা কৰা হৈছিল । তাৰোপৰি এ. কে . গাৰ্ণীয়ে 'এলোকেশী বেশ্যাৰ বিষয়', 'কানি বেহেৰুৱাৰ কথা', 'পুৰণি নিয়ম'(Old Testament),'ৰুথ','জোচেফৰ কাহিনী' আদি ৰচনা কৰে । শ্ৰীমতী গাৰ্ণীয়ে 'ফুলমণি আৰু করুণা' নামৰ এখন পুথি ৰচনা কৰি আদৰ্শ ৰাখি যায় ।

অসমীয়া খ্ৰীষ্টান নিধিলিবাই ফাৰোৱেলেও মিছনেৰীসকলৰ সাহিত্য ৰচনাক আদৰ্শ ৰূপে গ্ৰহণ কৰি 'অৰুণোদয়'ত 'বিনয় বচন','নিস্তাৰৰ উপাই', 'নৰকৰ বিৱৰণ' আদি কবিতা পুৰণি বৈষ্ণৱ কবিতাৰ আৰ্হিত ৰচনা কৰিছিল ।

সাহিত্য ৰচনাৰ উপৰিও মিছনেৰীসকলে অসমীয়া ভাষাত বিভিন্ন নতুন আভিধানিক আৰু বৈয়াকৰণিক ৰূপৰ প্ৰৱেশ ঘটালে । ইংৰাজী শব্দৰ ভাব লৈ বহুতো অসমীয়া শব্দৰ সৃষ্টি কৰিলে ।

অসমীয়া ভাষা - সাহিত্যক নতুনত্বৰ বোল সানি মিছনেৰীসকলে যি ধৰণে নতুন ৰূপত প্ৰাণ পোৱাত সাৰ - পানী যোগালে আৰু সেই সাৰ - পানীৰ যোগেদি অসমীয়া ভাষা - সাহিত্য জীপাল হৈ উঠাৰ লগতে উন্নতিৰ শিখৰত আৰোহণ কৰাৰ সুবিধা লাভ কৰিলে সেয়া উল্লেখনীয় । মিছনেৰী সকলে "আমাৰ ভাষাক এটি সুৰ শিকাই গ'ল । সেই সুৰটি আগেয়ে অসমীয়া ভাষাই নাজানিছিল, ভাৰতবৰ্ষৰ কোনো ভাষাই নাজানিছিল । ই পাশ্চাত্য সাহিত্যৰ নিজা সম্পত্তি । তাক পাদুৰী চাহাবসকলে সাত সাগৰ তেৰ নৈ পাৰ হৈ আহি ভাৰতবৰ্ষৰ ভাষাবোৰক শিকাই দিলেহি । বৰ্তমান যুগত ভাৰতবৰ্ষীয় আন আন সাহিত্যৰ দৰে অসমীয়া সাহিত্যৰো য'তে টোকৰ মাৰা এই বিলাতী সুৰটিৰ গুণ গুণনি শুনিবলৈ পাবা ।" ('অসমীয়া ভাষা' -- হেমচন্দ্ৰ গোস্বামী)

**সামৰণি ঃ**

আমেৰিকাৰ বেপ্তিষ্ট মিছনেৰী সকলে অসমলৈ আহি অসমীয়া ভাষা - সাহিত্যৰ অগ্ৰগতিৰ ক্ষেত্ৰত যি এক সংগ্ৰামত লিপ্ত হৈ পৰিছিল সেয়া অসমীয়া জাতিৰ বাবে আৰু অসমীয়া ভাষা - সাহিত্যৰ বাবে এন্ধাৰ নাশি পোহৰৰ বাটে আগবঢ়াই লৈ যোৱাৰ এক বিৰল প্ৰয়াস বুলি ক'ব পাৰি । এটা ভাষাক জীয়াই ৰাখিবলৈ হ'লে সেই ভাষাত পৰ্যাপ্ত পৰিমাণৰ সাহিত্য থকাটো নিতান্তই প্ৰয়োজনীয় । এই ক্ষেত্ৰত অসমীয়া ভাষাক মৃত্যুৰ গৰাহৰ পৰা তুলি আনি বৰপীৰাত বহুৱাবলৈ মিছনেৰীসকলে যি ভূমিকা গ্ৰহণ কৰিছিল সেয়া কম সংখ্যক লোকেহে কৰা দেখা যায় । মিছনেৰীসকলৰ এনে অৱদান অসমীয়া জাতিৰ বাবে চিৰস্মৰণীয় হৈ থাকিব । আমাৰ নৱ প্ৰজন্মই এই ক্ষেত্ৰত আগবাঢ়ি আহি অসমীয়া ভাষাক বিশ্বৰ দৰবাৰত প্ৰতিষ্ঠা কৰাৰ

দায়িত্ব গ্ৰহণ কৰি ভাষাটোৰ উত্তৰণৰ বাবে দ্বিধাহীনভাবে চেষ্টা অব্যাহত ৰাখিলে অসমীয়া সমাজ তথা দেশৰ উন্নতি হ'ব বুলি আশা কৰিব পাৰি ।

**সহায়ক গ্ৰন্থপঞ্জী ঃ**


শৰ্মা, নবীন চন্দ্ৰ ঃ **ভাৰতৰ উত্তৰ - পূৰ্বাঞ্চলৰ লোক সংস্কৃতি**, ২০০০,পৃ.১-৩

শৰ্মা, হেমন্ত কুমাৰ ঃ **অসমীয়া সাহিত্যত দৃষ্টিপাত**,বীণা লাইব্ৰেৰী, গুৱাহাটী, ২০১১,পৃ.১৯৪ - ১৯৮

শৰ্মা, সত্যেন্দ্ৰনাথ ঃ **অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত**

গোস্বামী, উপেন্দ্ৰনাথ (সম্পা.) ঃ **চন্দ্ৰকান্ত অভিধান**,গুৱাহাটী বিশ্ববিদ্যালয়,গুৱাহাটী, ১৯৮৭,তৃতীয় সংস্কৰণৰ পাতনি


**********